মহৰ্ষি বাল্মীকি বিৰচিত ৰামায়ণ হৈছে লৌকিক সংস্কৃত ভাষাত ৰচিত প্ৰাচীনতম কাব্য। ভাৰতবৰ্ষত ৰামায়ণক আদিকাব্য আৰু বাল্মীকিক আদিকবি হিচাপে স্বীকৃতি দিয়া হৈছে। সমগ্ৰ ৰামায়ণখন সাতটা কাণ্ডত বিভক্ত। সেই কাণ্ডসমূহ হৈছে - বালকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিস্কিন্ধাকাণ্ড, সুন্দৰকাণ্ড, যুদ্ধকাণ্ড আৰু উত্তৰকাণ্ড। এই মহাকাব্যত সৰ্বমুঠ ২৪,০০০ টা শ্লোক আৰু ৫০০ টা *সৰ্গ* আছে।

ৰামায়ণৰ উৎপত্তি সম্পৰ্কে বালকাণ্ডত এটি আখ্যান পোৱা যায়। এদিন বাল্মীকি মুনিয়ে তমসা নদীত স্নান কৰিবলৈ গৈছিল। তেনে সময়তে মুনিৰ চকুত পৰিল যে এটা ব্যাধে ক্ৰৌঞ্চ মিথুনৰ মতা চৰাইটোক শৰমাৰি বধ কৰিছে আৰু তেতিয়া মাইকী চৰাইজনীয়ে ইনাই বিনাই চিঞৰিছে। এই কৰুণ দৃশ্য দেখি বাল্মীকিৰ মুখেৰে এটা শ্লোক ওলাই আহিল। সেই শ্লোকটো হৈছে -

মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্।।

ইয়াৰ অৰ্থ হৈছে এই যে হে ব্যাধ! যিহেতু ক্ৰৌঞ্চ চৰাইহালৰ এটাক কামোন্মত্ত অৱস্থাত বধ কৰিলা, সেয়েহে তুমি চিৰকাললৈ প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিবা।

ইয়াৰ অলপ পিছত ব্ৰহ্মা আহি বাল্মীকিৰ আগত উপস্থিত হ'ল। ব্ৰহ্মাই তেওঁক ৰামকথা পৃথিৱীত প্ৰচাৰ কৰিবলৈ উপদেশ দিলে।

সমগ্ৰ ৰামায়ণৰ কাহিনীটো তলত চমুকৈ বৰ্ণনা কৰা হ'ল -

অযোধ্যাত দশৰথ নামেৰে এজন ৰজা আছিল। তেওঁৰ তিনিগৰাকী পত্নী আৰু চাৰিজন পুত্ৰ আছিল। দশৰথ ৰজাই তেওঁৰ পত্নী কৈকেয়ীক দিয়া বচন ৰক্ষা কৰিবলৈ

জ্যেষ্ঠ পুত্ৰ ৰামচন্দ্ৰক চৈধ্য বছৰ বনবাস দিছিল। ৰামচন্দ্ৰৰ লগত ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতাও সঙ্গী হৈছিল। তেওঁলোকে বনত থকা কালছোৱাত লঙ্কাৰ ৰজা ৰাৱণে সীতাক হৰণ কৰি লৈ গৈছিল। ৰামে বান্দৰ সেনাৰ সহায়ত ৰাবণক বধ কৰি সীতাক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত ৰাৱণৰ গৃহত কিছুকাল থকা বাবে সীতাই অগ্নি পৰীক্ষাত অৱতীৰ্ণ হৈ নিজৰ পবিত্ৰতাৰ প্ৰমাণ দিব লগা হয়। তাৰ পিছত ৰাম, লক্ষ্মণ আৰু সীতাই অযোধ্যালৈ উভতি আহে আৰু ৰামে ৰাজ্যভাৰ হাতত লয়। ৰাৱণৰ দ্বাৰা হৰণ কৰি নিয়া বাবে সীতাক প্ৰজাৰ সন্তুষ্টিৰ কাৰণে ৰামে বনবাস দিয়ে। বনত সীতাৰ লব আৰু কুশ নামেৰে দুটি যমজ সন্তানৰ জন্ম হয়। এই লব-কুশৰ জৰিয়তেই পিছত ৰামে সীতাৰ সন্ধান পায় আৰু অযোধ্যালৈ পুনৰ লৈ আহিবলৈ স্থিৰ কৰে। অৱশ্যে তেওঁ কৈছিল যে প্ৰজাবৰ্গৰ সন্মুখত সীতাই আৰু এবাৰ অগ্নি পৰীক্ষাত অবতীৰ্ণ হব লাগিব। কিন্তু সীতাই এইবাৰ মাতৃ ধৰিত্ৰীক অনুৰোধ জনায় আৰু ধৰিত্ৰী দেৱীয়েও তেওঁক আশ্ৰয় দিয়ে। ইয়াৰ পিছত শোকদগ্ধ ৰামেও নিজৰ জীৱন পৰিত্যাগ কৰে।

ৰামায়ণৰ ভাষা অতি সৰল আৰু মাৰ্জিত। অপূৰ্ব চৰিত্ৰচিত্ৰণ, মনোৰম বৰ্ণনাৰীতি, লালিত্যপূৰ্ণ ভাষা তথা অনবদ্য বিষয়বস্তুৰ জৰিয়তে এই মহাকাব্য-খনিয়ে এক অসাধাৰণ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ চৰিত্ৰসমূহ বিভিন্ন আদৰ্শৰ পৰিচায়ক। নায়ক ৰামচন্দ্ৰ এজন আদৰ্শ পুত্ৰ। লক্ষ্মণ আৰু ভৰত আদৰ্শ ভ্ৰাতৃ আৰু সীতা আদৰ্শ পত্নীৰ এক উজ্জ্বল নিদৰ্শন। পিতৃৰ প্ৰতিজ্ঞা ৰক্ষাৰ্থে ইয়াত পুত্ৰ ৰামে সিংহাসন আৰু পাৰ্থিব সুখ পৰিত্যাগ কৰিছে। ৰজা দশৰথে নিজৰ বচন ৰক্ষা কৰিবলৈ অতি মৰমৰ পুত্ৰকো বনবাসলৈ পঠিয়াব লগা হৈছে। পত্নী-সীতা এনে এগৰাকী নাৰী যিয়ে জীৱনৰ শেষ মুহূৰ্তলৈ স্বামীৰ প্ৰতি অনুগতা হৈ আছিল। মানৱ জীৱনৰ প্ৰকৃত আদৰ্শ প্ৰতিফলন কৰা আৰু বিভিন্ন নীতিজ্ঞানেৰে সমৃদ্ধ এই ৰামায়ণে ভাৰতীয় জাতীয় জীৱনত যুগে যুগে প্ৰভাৱ বিস্তাৰ কৰিছে।

## প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ ধাৰণা

সপ্তকাণ্ডত বিভক্ত ৰামায়ণৰ প্ৰতিটো কাণ্ডৰে সুকীয়া গুৰুত্ব আছে। এই কাণ্ডসমূহত সন্নিবিষ্ট বিষয়সমূহ তলত উল্লেখ কৰা হ'ল।

১) **বালকাণ্ডঃ**-ৰামায়ণৰ বালকাণ্ডত শ্ৰীৰামচন্দ্ৰৰ জন্ম, তেওঁৰ বাল্যকালৰ বিৱৰণ, বিশ্বামিত্ৰৰ আশ্ৰমত যজ্ঞৰক্ষা, তাৰকা, সুবাহু আদি ৰাক্ষসৰ নিধন, অহল্যাৰ অভিশাপ মুক্তি, হৰধনু ভঙ্গ কৰি ৰামৰ সীতাৰ লগত বিবাহ আদি বিষয়সমূহ সন্নিবিষ্ট কৰা হৈছে।

২) **অযোধ্যাকাণ্ডঃ**-ৰামৰ অভিষেক অনুষ্ঠানৰ আয়োজন, তেওঁৰ চৈধ্য বছৰ বনবাস, পুত্ৰশোকাতুৰ ৰজা দশৰথৰ মৃত্যু, ৰাম, লক্ষণ আৰু সীতাৰ চিত্ৰকূটত নিবাস, ভৰতৰ বনলৈ গমন আৰু ৰামক ওভতাই অনাৰ বিফল প্ৰচেষ্টা, ভৰতৰ দ্বাৰা

নন্দী গ্ৰামত ৰাজ্য স্থাপন আদিয়েই হৈছে অযোধ্যা কাণ্ডৰ মূল বিষয়।

৩) **অৰণ্যকাণ্ডঃ-** অৰণ্য কাণ্ডত তলৰ বিষয়সমূহ সন্নিবিষ্ট হৈছে - দণ্ডকাৰণ্যত ৰামৰ জীৱন যাপন, বিৰাধ নামৰ ৰাক্ষস নিধন, শৰভঙ্গ, সুতীক্ষ্ণ, অত্ৰি আদি ঋষিসকলৰ লগত সাক্ষাৎ, ৰাক্ষসী শূৰ্পণখাৰ অঙ্গচ্ছেদ, খৰ, ত্ৰিশিৰা প্ৰমুখ্যে চৈধ্য হাজাৰ ৰাক্ষস নিধন, ৰাৱণৰ দ্বাৰা জ্ঞাতি নিধনৰ বাৰ্তা লাভ, মাৰীচৰ সহযোগত ৰাৱণৰদ্বাৰা সীতা হৰণ, পক্ষী জটায়ুৰ মৃত্যু, সীতাৰ বাবে ৰামৰ শোক, শবৰীৰ লগত সাক্ষাৎ আদি।

৪) **কিষ্কিন্ধা কাণ্ডঃ-** কিষ্কিন্ধা কাণ্ডত উপলব্ধ মূল বিষয়সমূহ এনে ধৰণৰ - ৰামৰ হনুমাৰ লগত সাক্ষাৎ, সুগ্ৰীবৰ লগত বন্ধুত্ব স্থাপন, বালী বধ, হনুমানৰ লঙ্কা গমনৰ প্ৰস্তুতি আদি।

৫) **সুন্দৰ কাণ্ডঃ-** হনুমানৰদ্বাৰা বায়ুৰ মাজেৰে যাত্ৰা, সিংহিকা নামৰ ৰাক্ষসী নিধন, লঙ্কাৰ সৌন্দৰ্য্য বৰ্ণনা, হনুমানৰ লঙ্কাত প্ৰবেশ, অশোকবনত সীতাৰ লগত সাক্ষাৎ, সীতাক ৰামৰ বাৰ্তা প্ৰদান, লঙ্কা নগৰীত অগ্নি নিক্ষেপ, সীতাৰ বাৰ্তা লৈ ৰামৰ ওচৰলৈ পুনৰ আগমন আৰু বাৰ্তা প্ৰদান আদি বিষয়সমূহ সুন্দৰ কাণ্ডত বৰ্ণিত হৈছে।

৬) **যুদ্ধ কাণ্ডঃ-** এই কাণ্ডত সন্নিবিষ্ট বিষয়সমূহ হৈছে সমুদ্ৰৰ ওপৰত দলং নিৰ্মাণ, বান্দৰ সেনাসমূহৰ সৈতে ৰাম আৰু লক্ষ্মণৰ লঙ্কাত প্ৰবেশ, ৰাৱণৰ ভ্ৰাতৃ বিভীষণৰ লগত বন্ধুত্ব স্থাপন, ৰাৱণক যুদ্ধত পৰাস্ত কৰি হত্যা, সীতা উদ্ধাৰ, সীতাৰ অগ্নি পৰীক্ষা, বিভীষণক লঙ্কাৰ-ৰজা হিচাপে প্ৰতিষ্ঠা, সঙ্গীসকলৰ লগত ৰামচন্দ্ৰৰ অযোধ্যালৈ আগমন আৰু ৰাজ্য গ্ৰহণ আদি।

৭) **উত্তৰ কাণ্ডঃ-** ৰামৰ ৰাজ্যশাসনৰ বৰ্ণনা, সীতা বিসৰ্জন, সীতাৰ বাল্মীকিৰ আশ্ৰমত আশ্ৰয় গ্ৰহণ লৱ কুশৰ জন্ম, অশ্বমেধ যজ্ঞ, সীতাৰ পাতাল প্ৰৱেশ, লক্ষ্মণ বৰ্জন, ৰামৰ মহাপ্ৰয়াণ আদি এই কাণ্ডৰ প্ৰধান বিষয়।

## ৰামায়ণৰ প্ৰভাৱ

আদিকাব্য ৰামায়ণে সমগ্ৰ ভাৰতীয় জনমানস আৰু ভাৰতীয় সাহিত্য সংস্কৃতিৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। পৰৱৰ্তী বহুকেইখন কাব্য, নাটক আদি ৰামায়ণৰ অনুপ্ৰেৰণাতে ৰচিত হৈছে। আনকি মহাভাৰতৰ বনপৰ্বত (২৫৮ - ২৮৩ সৰ্গত) ৰামাখ্যানৰ বৰ্ণনা পোৱা যায়। বিষ্ণু, ব্ৰহ্মাণ্ড, গৰুড় অগ্নি, ভাগৱত আদি পুৰাণতো ৰামকথাৰ উল্লেখ পোৱা যায়। সেইদৰে দেৱী ভাগৱতত (তৃতীয় স্কন্ধ, ২৮ - ২৯ সৰ্গ) ৰাম কথাৰ বৰ্ণনা আছে। পালি ত্ৰিপিটকৰ অন্তৰ্গত 'দশৰথ জাতক'তো ৰামকথাৰে লৈ বুদ্ধৰ পূৰ্বজন্মৰ কথা প্ৰচাৰ কৰা হৈছে। ৰামায়ণৰ আলমতে মহাকবি ভাসে 'প্ৰতিমা' আৰু 'অভিষেক' এই দুই নাটক ৰচনা কৰিছে। ভাসৰ অনুবৰ্তী মহাকবি কালিদাসেও ৰামায়ণক আলম কৰি ৰঘুবংশ মহাকাব্য ৰচনা কৰিছে। ইয়াৰ পিছৰ পৰ্যায়ত ভৱভূতিৰ মহাবীৰ চৰিত আৰু উত্তৰৰামচৰিত নাটক দুখন ৰামায়ণৰ কাহিনীক ভিত্তি কৰি ৰচিত হৈছে। আকৌ প্ৰবৰসেনৰ সেতুবন্ধ, কুমাৰ দাসৰ জানকীহৰণ, মুৰাৰীৰ

'অনৰ্ঘৰাঘৱ', জয়দেৱৰ 'প্ৰসন্নৰাঘৱ' ৰামকথাৰ আধাৰতে বিৰচিত হৈছে। একেদৰে, ৰামায়ণৰ কথাৰ আলম লৈ ৰাজশেখৰে 'বালৰামায়ণ', ভোজে 'ৰামায়ণচম্পূ' আৰু ক্ষেমেন্দ্ৰই 'ৰামায়ণ মঞ্জৰী' ৰচনা কৰে।

এইবোৰৰ উপৰিও বৌদ্ধ কবি অশ্বঘোষ, জৈন সন্যাসী বিমলসূৰী (পউম চৰিত) আদিৰ ৰচনাতো ৰামায়ণৰ প্ৰভাৱ দেখা যায়। বৌদ্ধগ্ৰন্থৰ তিব্বতীয় আৰু চীনা অনুবাদতো ৰামকথাৰ উল্লেখ পোৱা যায়। ইণ্ডোনেছিয়া, মালয়েচিয়া, ছিঙ্গাপুৰ, কম্বোদিয়া, থাইলেণ্ড আদি দেশৰ সাহিত্য সংস্কৃতি আৰু জনমানসত ৰামায়ণৰ চিৰস্থায়ী প্ৰভাৱ দেখা যায়।

মধ্যযুগীয় আৰু আধুনিক ভাৰতীয় সাহিত্যৰ ওপৰতো ৰামায়ণৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ দেখা পোৱা যায়। ষোড়শ শতাব্দীৰ ভক্তিকবি তুলসী দাসৰ ৰচনা 'ৰামচৰিত মানস', অসমৰ মাধৱকন্দলি ৰচিত ''অসমীয়া ৰামায়ণ', বংগদেশীয় 'কৃত্তিবাসী ৰামায়ণ' আদিয়ে জনপ্ৰিয়তা অৰ্জন কৰে। অৱশ্যে ৰামায়ণৰ বালকাণ্ডত (২/৩৬ - ৩৭) এইটো উল্লেখ আছে যে —

যাৱৎ স্থাস্যতি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।

অৰ্থাৎ যেতিয়ালৈকে পৃথীৱীত নৈ আৰু পৰ্বত থাকিব তেতিয়ালৈকে ৰামায়ণ কথা লোক সমাজত প্ৰচাৰ হৈ থাকিব।

## ৰামায়ণৰ বিকাশ

জাৰ্মাণ পণ্ডিত ইয়াকোবিয়ে ৰামায়ণৰ পাঠ্যাংশ বিশ্লেষণ কৰি মূল ৰামায়ণ পাঁচটা কাণ্ডত বিভক্ত আছিল বুলি মত প্ৰকাশ কৰিছে। এই মত অনুসাৰে ৰামায়ণৰ মূল কথা অযোধ্যা কাণ্ডত আৰম্ভ হৈ যুদ্ধ কাণ্ডত শেষ হৈছে। বালকাণ্ড আৰু উত্তৰাকাণ্ড, পিছত মূল কথাৰ আদিত আৰু অন্তত সংযোজিত হৈছে। এই মতামতৰ সমৰ্থনত কিছুমান যুক্তি আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল —

১) যুক্তিমতে দশৰথ পুত্ৰ ৰামচন্দ্ৰৰ অভিষেকৰ পিছতেই ৰামকথা শেষ হৈছে। বৰ্তমানেও দেখা যায় যে ৰামকথাৰ আবৃত্তি আৰু প্ৰবচন ৰামৰ অভিষেকতে শেষ হৈছে। উত্তৰ কাণ্ডত উল্লেখ থকা ঘটনাসমূহৰ লগত মূল ৰামকথাৰ সম্বন্ধ বেছি দেখা নাযায়। ৰাৱণ আৰু বান্দৰবোৰৰ পূৰ্ব বৃত্তান্ত সপ্তম কাণ্ডত দেখা যায়। উত্তৰাকাণ্ডত উল্লেখিত ৰামৰ উত্তৰ জীৱনৰ কথাবোৰে ৰামৰ বীৰোচিত চৰিত্ৰ অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হোৱা নাই। তাত বহুতো উপাখ্যানৰ উল্লেখ পোৱা যায়।

২) বালকাণ্ডত প্ৰথম আৰু তৃতীয় সৰ্গত ৰামায়ণৰ দুটি বিষয়সূচী পোৱা যায়। সেই বিষয়সূচীৰ এটিত বালকাণ্ড আৰু উত্তৰকাণ্ডৰ বিষয়বস্তুৰ উল্লেখ পোৱা নাযায়। কিন্তু প্ৰথম সূচীত সেইবোৰৰ উল্লেখ আছে। গতিকে দুটা সূচীয়ে ৰামায়ণৰ দুটা স্তৰকে সূচাইছে।

৩) দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম কাণ্ডসমূহৰ ভাষা আৰু ৰচনা শৈলীও প্ৰথম আৰু

সপ্তম কাণ্ডৰ ভাষা শৈলীতকৈ পৃথক।

৪) বালকাণ্ডত লক্ষ্মণক বিবাহিত বুলি কোৱাৰ বিপৰীতে আকৌ অৰণ্যকাণ্ডত ৰামে লক্ষ্মণক অবিবাহিত বুলি উল্লেখ কৰিছে। গতিকে দুয়োটা কথাতে পাৰস্পৰিক বিৰোধিতা দেখা যায়।

৫) প্ৰথম আৰু সপ্তম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ বুলি কোৱা হৈছে যদিও আন পাঁচটা কাণ্ডত তেনে তথ্যৰ উল্লেখ পোৱা নাযায়।

৬) বালকাণ্ডত বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰাৰ পটভূমি চিত্ৰিত হৈছে। বালকাণ্ড আৰু উত্তৰকাণ্ডত বাল্মীকিৰ চৰিত্ৰও চিত্ৰিত হৈছে। এনে ক্ষেত্ৰত বাল্মীকিয়ে এই দুই কাণ্ড নিজে ৰচনা কৰা কথাটো অযুক্তিসঙ্গত।

৭) ৰামায়ণৰ বহুতো ঠাইত বহু অংশ প্ৰক্ষিপ্ত হৈছে।

ৰামায়ণৰ প্ৰথম আৰু সপ্তম কাণ্ডৰ বৰ্ণনাৰ পৰা জনা যায় যে বাল্মীকিয়ে অযোধ্যাৰ ওচৰতে গংগাৰ পাৰত আশ্ৰম পাতি বাস কৰিছিল। সেয়ে তেওঁ ৰাম আৰু ৰামৰ পূৰ্বপুৰুষসকলৰ বিষয়ে জ্ঞাত আছিল। ৰামে সীতাক পৰিত্যাগ কৰাৰ পিছত বাল্মীকিয়ে সীতাক আশ্ৰমত থাকিবলৈ আশ্ৰয় দান কৰিছিল। বাল্মীকিৰ আশ্ৰমতে লৱ কুশৰ জন্ম হয় আৰু ডাঙৰ দীঘলো হয়। বাল্মীকিয়ে এই ঘটনাসমূহৰ আলম লৈ ৰামায়ণ ৰচনা কৰে। পিছলৈ সেই গীতবোৰ ভ্ৰাম্যমান '***কুশীলৱ***' গায়ক শ্ৰেণীয়ে গাই ফুৰিছিল। লৱকুশে প্ৰথমতে ৰামকথা গাই প্ৰচাৰ কৰা বাবে তেনে গীতৰ গায়ক শ্ৰেণীয়ে 'কুশীলৱ' আখ্যা পায়। জনপ্ৰিয়তা বৃদ্ধি পোৱাত ৰামকথাৰ মাজত অন্য কথাও সংযোজিত হয়। কেই শতিকামানৰ পিছত ৰামকথাৰ আদি-অন্তত বালকাণ্ড আৰু উত্তৰকাণ্ড সংযোজিত হয়।

## ৰামায়ণৰ মহত্ত্ব

বাল্মীকিকৃত ৰামায়ণ কেৱল প্ৰথম মহাকাব্য হিচাপেই জগতত প্ৰসিদ্ধ নহয়, ই হৈছে এনে এখন অতি জনপ্ৰিয় লৌকিক কাব্য, য'ত নিহিত শিক্ষাসমূহৰ এক ব্যৱহাৰিক প্ৰমূল্যও আছে। ৰামায়ণত থকা শিক্ষণীয় বিষয়বোৰ জনসাধাৰণৰ বাবে সহজবোধ্য তথ্য। ইয়াত থকা চৰিত্ৰসমূহ সমাজৰ প্ৰতিজন লোকৰ বাবে আদৰ্শস্বৰূপ। ৰাম যিদৰে পুৰুষৰ উত্তম আদৰ্শ, সীতা সেইদৰে নাৰীৰ আদৰ্শ, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন প্ৰভৃতি ভাতৃৰ আদৰ্শ, হনুমান ভক্তৰ (সেৱকৰ) আদৰ্শ, একেদৰে সুমিত্ৰা আৰু কৌশল্যা মাতৃসকলৰ বাবে আদৰ্শস্বৰূপ। অনুজ ভাতৃৰ বাবে ৰামৰ স্নেহ যিদৰে অতুলনীয়, সেইদৰে লক্ষ্মণৰো অগ্ৰজ ভাতৃলৈ শ্ৰদ্ধা আৰু প্ৰেম তুলনাবিহীন। মুঠতে ৰামায়ণ মহাকাব্যৰ প্ৰতিটো বাক্যত, প্ৰতিটো শব্দত নিহিত হৈ আছে উচ্চতম মানবাদৰ্শ আৰু নীতিজ্ঞানৰ ভাণ্ডৰ। সেয়েহে ৰামায়ণৰ কাহিনী পুৰণি হৈও চিৰনতুন হৈ আছে। সেই পুৰণি আদৰ্শই নৱতম পুৰুষকো অনুপ্ৰাণিত কৰি আহিছে। অৰ্থাৎ গৌৰৱময় অতীতে বৰ্তমানক তথা ভৱিষ্যতৰ প্ৰজন্মক প্ৰেৰণা দি আছে। ৰামায়ণ প্ৰাচীন ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আধাৰশিলাৰূপে স্মৰণীয় আৰু বৰণীয়। ইয়ে আমাক প্ৰাগৈতিহাসিক

যুগৰ সমাজব্যৱস্থা, ৰাজনৈতিক আৰু ভৌগোলিক অৱস্থাৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ সহায় কৰে। গতিকে ৰামায়ণৰ মহত্ব সদায়েই আমাৰ সমাজত বৰ্ত্তি থাকিব।

## ৰামায়ণৰ সামাজিক চিত্ৰণ

ৰামায়ণৰ যুগত আৰ্যসকলৰ প্ৰধান জীৱিকা আছিল কৃষি, পশুপালন, বাণিজ্য আৰু কুটীৰ শিল্প। মাটি চহাবৰ বাবে একমাত্ৰ আহিলা আছিল নাঙল। গম, যৱ, ধান, তিল, মাহ আদি আছিল প্ৰধান শস্য। উৎপন্ন শস্যৰ এক ষষ্ঠাংশ ৰজাক ৰাজহ হিচাপে দিয়াৰ নিয়ম আছিল। পশুপালনো এটা ডাঙৰ বৃত্তি আছিল। কুটীৰ শিল্পৰ ভিতৰত সোণ ৰূপৰ অলংকাৰৰ কাম, কাঁহ - পিতলৰ কাম, কাঁচৰ কাম, বস্ত্ৰবয়ন আৰু চিলাই আদি উল্লেখযোগ্য।

যাদুবিদ, গায়ক, সূত্ৰধাৰ, স্থপতি, বৈদ্য আদি বৃত্তিধাৰী লোক আছিল।

আৰ্যসকলে নিৰামিষ আৰু আমিষ দুয়োবিধ খাদ্যই ভক্ষণ কৰিছিল। আমিষৰ ভিতৰত হৰিণৰ মাংস আছিল অতি প্ৰিয় খাদ্য। সীতাৰ লগত বনবাসলৈ যোৱাৰ সময়ত ৰাম আৰু লক্ষ্মণে হৰিণ চিকাৰ কৰি মাংস ভক্ষণ কৰাৰ কথা উল্লেখ আছে। মাছৰ ব্যৱসায় প্ৰচলিত আছিল। যৌন সম্ভোগ আৰু যুদ্ধক্ষেত্ৰত উত্তেজনা সৃষ্টিৰ বাবে সুৰাপান কৰাৰ প্ৰথা আছিল।

ৰাজনৈতিক জীৱন আছিল যথেষ্ট উন্নত। ৰাজবংশৰ জ্যেষ্ঠ সন্তানজনে উত্তৰাধিকাৰীসূত্ৰে শাসনভাৰ গ্ৰহণ কৰিছিল। ৰজাৰ আচৰণ যেনেকুৱা হয় প্ৰজাৰো আচৰণ তেনেকুৱাই আছিল। ৰজাই জনমতক যথেষ্ট শ্ৰদ্ধা কৰিছিল। সীতাৰ প্ৰতি থকা অগাধ ভালপোৱাৰ বাবেই ৰামে ৰাৱণৰ হাতৰ পৰা সীতাক উদ্ধাৰ কৰি আনিলে, কিন্তু সেই সীতাকেই তেওঁ প্ৰজাক সন্তুষ্ট কৰিবৰ বাবে নিৰ্বাসন দিলে।

পিতৃ সত্য পালনৰ বাবে পুত্ৰৰ স্বেচ্ছায় বনবাস গ্ৰহণ, ভ্ৰাতৃপ্ৰেমৰ বাবে বনবাসী অগ্ৰজৰ আনুগত্য, ভাৰতীয় ৰমণীৰ একনিষ্ঠ পতিভক্তি আদি পাৰিবাৰিক আদৰ্শসমূহ আছিল জীৱন্ত শক্তি। ৰাম আদৰ্শৰ প্ৰতীক আছিল।

ৰামায়ণকালীন সমাজত অন্ধনীতি নিয়মৰ প্ৰচলন আছিল। ৰামায়ণত সমাজৰ নানা লোকাচাৰৰ বৰ্ণনা আছে। উল্কাপাত আদিক অশুভসূচক ঘটনাৰ ইংগিত বুলি কোৱা হৈছে।

## ৰামচন্দ্ৰৰ গুণসমূহৰ বৰ্ণনা

ৰামায়ণৰ নায়ক শ্ৰীৰামচন্দ্ৰক মহাকাব্যখনত সৰ্বগুণসমন্বিত এগৰাকী অসাধাৰণ পুৰুষ হিচাপে প্ৰতিষ্ঠিত কৰা হৈছে। মুনিশ্ৰেষ্ঠ নাৰদৰদ্বাৰা ৰামচন্দ্ৰৰ বিভিন্ন গুণসমূহৰ বিষয়ে বালকাণ্ডৰ প্ৰথম সৰ্গৰ আৰম্ভণিতেই উক্ত হৈছে। ইয়াত কোৱা হৈছে যে শ্ৰী ৰামচন্দ্ৰ বুদ্ধিমান, নীতিপৰায়ণ, বাগ্মী, সৌভাগ্যবান আৰু শত্ৰুবিনাশক। তেওঁৰ স্কন্ধ বিশাল আৰু বাহু দীৰ্ঘ। বিশাল বক্ষযুক্ত এই গৰাকী পুৰুষৰ ডিঙি সুপুষ্ট। তেওঁৰ কপাল আৰু মস্তক মনোৰম। আকৃতিত তেওঁ মধ্যম। স্নিগ্ধ বৰ্ণযুক্ত আৰু বিশাল নেত্ৰধাৰী শ্ৰীৰামচন্দ্ৰ বিভিন্ন শুভলক্ষণৰো আঁকৰস্বৰূপ। তেওঁ ধৰ্মজ্ঞাতা আৰু সত্য প্ৰতিজ্ঞ। প্ৰজাসমূহৰ হিতসাধনত তেওঁ সদাৰত। ইয়াৰ উপৰিও তেওঁ যশস্যাশালী, জ্ঞানী আৰু জিতেন্দ্ৰিয়। জীৱলোকৰ ত্ৰাণকৰ্তা আৰু ধৰ্মৰ ৰক্ষক এই গৰাকী ব্যক্তি সৰ্বশাস্ত্ৰৰ তত্ত্বজ্ঞাতা। তেওঁ সকলোৰে প্ৰতি সমান ভাব প্ৰদৰ্শনকাৰী। ইয়াৰ উপৰিও তেওঁৰ আকৃতি অতিশয় আনন্দপ্ৰদায়ক। গাম্ভীৰ্য্যত তেওঁ সমুদ্ৰ সদৃশ আৰু ধৈৰ্য্যৰ ক্ষেত্ৰত হিমালয় পৰ্বততুল্য। তেওঁ বিষ্ণুৰ দৰে পৰাক্ৰমী, কালাগ্নিৰ দৰে ক্ৰোধী আৰু পৃথিৱীৰ দৰে ক্ষমাশীল।

এনেদৰে অনেক গুণৰ সমন্বয়ত শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰটি ৰামায়ণত অংকিত হৈছে।

## জানি থোৱা ভাল

ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যিক ভাষালৈকে কেবাশ বছৰ আগতেই ৰামায়ণৰ ভাঙনি প্ৰকাশিত হৈছে। দ্বাদশ শতিকাত তামিল কবি কম্বনে কম্ব ৰামায়ণ ৰচনা কৰে। ইয়াৰ উপৰিও তুলসীদাসে 'ৰামচৰিত মানস' ৰচনা কৰি অতিশয় জনপ্ৰিয়তা অৰ্জন কৰে। খৃষ্টীয় চতুৰ্দশ শতিকাত মাধৱ কন্দলীয়ে ৰামায়ণৰ অসমীয়া পদ ভাঙনি কৰে। প্ৰায় এশ বছৰ পিছত কন্দলী ৰামায়ণৰ পাঁচটা কাণ্ড পোৱা যায়। ইয়াৰ পিছত মাধৱদেৱে ৰামায়ণৰ আদি কাণ্ডৰ আৰু শঙ্কৰদেৱে উত্তৰকাণ্ডৰ ভাঙনি কৰি কন্দলী ৰামায়ণত যোগ দিয়ে।